# Telephone Conversation between PM and Prime Minister of Spain

April 04, 2020

---

## প্ৰধানমন্ত্ৰী আৰু স্পেইনৰ প্ৰধানমন্ত্ৰীৰ মাজত টেলিফোনযোগে বাৰ্তালাপ

এপ্ৰিল 04, 2020

প্ৰধানমন্ত্ৰী শ্ৰী নৰেন্দ্ৰ মোডীয়ে আজি স্পেইন চৰকাৰৰ অধ্যক্ষ(প্ৰধানমন্ত্ৰীৰ সমপৰ্যায়ৰ) মাননীয় পেড্ৰ ছানচেজ পেৰেজ-কাষ্টেজনৰ সৈতে টেলিফোনযোগে বাৰ্তালাপ কৰে। দুয়োগৰাকী নেতাই কোভিড-19 মহামাৰীয়ে সৃষ্টি কৰা বৈশ্বিক প্ৰত্যাহ্বানৰ বিষয়ে আলোচনা কৰে।

এই ৰোগত স্পেইনত অকালতে মৃত্যুক সাৱটি লোৱা সকলৰ বাবে প্ৰধানমন্ত্ৰীয়ে শোক প্ৰকাশ কৰে, আৰু লগতে আক্ৰান্ত হৈ থকাসকলৰ আশু আৰোগ্য কামনা কৰে। প্ৰধানমন্ত্ৰীয়ে স্পেইনৰ উচ্চবৰ্গৰ প্ৰতিনিধিসকলক আশ্বাস দিয়ে যে স্পেইনে যিদৰে সকলো সময়তে সাহসিকতাৰ পৰিচয় দিছে সেই প্ৰচেষ্টাত ভাৰতে তেওঁলোকৰ কাষত থিয় দিয়াৰ লগতে সাম্ভাব্য সকলোধৰণৰ সাহার্য আগবঢ়াবলৈ প্ৰস্তুত।

দুয়োগৰাকী নেতাই বৈশ্বিক স্বাস্থ্য সংকটৰ সৈতে যুঁজ দিয়াৰ কাৰণে আন্তঃৰাষ্ট্ৰীয় সহযোগিতাৰ গুৰুত্বৰ ওপৰত সহমত প্ৰকাশ কৰে। কৰোনাৰ পৰৱৰ্তী সময়ৰ কাৰণে বিশ্বক গোলকীকৰণৰ এটি মানৱকেন্দ্ৰিক নতুন ধাৰণা তৈয়াৰ কৰাৰ বিষয়ে প্ৰধানমন্ত্ৰী মোডীৰ পৰ্যবেক্ষণৰ প্ৰতি স্পেইনৰ প্ৰধানমন্ত্ৰীয়ে সহমত প্ৰকাশ কৰে।

মহামাৰীৰ পৰিপ্ৰেক্ষিতত জনসাধাৰণ ঘৰতে সোমাই থাকিব লগা হোৱাৰ সময়ত মনস্তাত্বিক আৰু শাৰীৰিক স্বাস্থ্য সুনিশ্চিত কৰাৰ সুলভ উপায় হিচাপে যোগ আৰু পৰম্পৰাগত হাৰ্বেল ঔষধৰ উপকাৰিতাৰ সন্দৰ্ভতো একমত হয়।

কোভিড-19ৰ বাবে সৃষ্টি হোৱা পৰিস্থিতি আৰু ইয়াৰ পৰা উত্পন্ন হোৱা আৱশ্যকতাসমূহক লৈ দুয়োখন দেশে সদায়েই যোগসূত্ৰ স্থাপন কৰি থাকিব বুলি সহমত ব্যক্ত কৰে।

**নতুন দিল্লী**
**এপ্ৰিল 04, 2020**

DISCLAIMER : This is an approximate translation. The original is available in English on MEA’s website and may be referred to as the official press release.